# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-09-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*
# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰত ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ১১ হেজাৰ ২০০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প মুকলি আৰু আধাৰশিলা স্থাপন কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত-বিনিময় কৰিব।

৩। তেলেংগানাৰ যুব পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী উদয়নিধি ষ্টেলিনে আজি ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব।

৪। জম্মু-কাশ্মীৰৰ তৃতীয় তথা অন্তিম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযানৰ আজি সামৰণি পৰিব।

*আৰু*

৫। ভাৰত আৰু বাংলাদেশৰ মাজৰ দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত বাংলাদেশে প্ৰথম ইনিংছত তিনি উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১০৭ ৰানৰ পৰা আজি তৃতীয় দিনৰ খেল আৰম্ভ কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰত ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ১১ হেজাৰ ২০০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ মুকলি আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ জিলা আদালতৰ পৰা স্বৰগেটলৈকে পুনে মেট্ৰ' খণ্ড মুকলি কৰিব। প্ৰায় এহেজাৰ ৮১০ কোটি টকা ব্যয়ৰে এই প্ৰকল্প সম্পূৰ্ণ কৰি তোলা হৈছে। প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰায় দুহেজাৰ ৯৫৫ কোটি টকা ব্যয় সাপেক্ষ পুনে-মেট্ৰ' প্ৰথম পৰ্যায়ৰ স্বৰগেট, কাটৰাজ সম্প্ৰসাৰণ প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰিব। শ্ৰী মোদীয়ে কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰীয় উদ্যোগীক কৰিড'ৰ উন্নয়ন কাৰ্যসূচীৰ অধীনৰ সাত হেজাৰ ৭৫৫ একৰ ভূমি সামৰি বিডকিন উদ্যোগীক অঞ্চল– পৰিৱৰ্তনকাৰী প্ৰকল্প  ৰাষ্ট্ৰ নামত উৎসৰ্গা কৰিব। মহাৰাষ্ট্ৰৰ ছত্ৰপতি সম্ভাজী নগৰৰ পৰা ২০ কিলোমিটাৰ দক্ষিণ এই প্ৰকল্প নিৰ্মাণ কৰা হৈছে। দিল্লী, মুম্বাই উদ্যোগীক কৰিড'ৰৰ অধীনত বিকশাই তোলা এই প্ৰকল্প মাৰ্ঠৱাড়া অঞ্চলত এটা উল্লেখযোগ্য অৰ্থনৈতিক কেন্দ্ৰ হিচাপে উন্নীত হোৱাৰ ব্যাপক সম্ভাৱনা আছে। কেন্দ্ৰীয় চৰকাৰে ছহেজাৰ ৪০০ কোটিৰো অধিক টকা ব্যয়ৰে তিনিটা পৰ্যায়ত এই প্ৰকল্প নিৰ্মাণৰ বাবে অনুমোদন দিছে।

প্ৰধানমন্ত্ৰীয়ে আজি ছ'লাপুৰ বিমান বন্দৰো মুকলি কৰিব। এই বিমান বন্দৰটোৱে পৰ্যটক, ব্যৱসায়ী তথা বিনিয়োগকাৰীসকলৰ বাবে ছ'লাপুৰলৈ উন্নত যোগাযোগৰ সুযোগ প্ৰদান কৰিব। তেওঁ লগতে ভিডেৰাড়াত ক্ৰান্তিজ্যোতি সাবিত্ৰীবাই ফুলেৰ প্ৰথমখন বালিকা বিদ্যালয়ৰ স্মাৰকৰ আধাৰশিলা স্থাপন কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত-বিনিময় কৰিব। এয়া হ'ব এই অনুষ্ঠানৰ ১১৪ সংখ্যক খণ্ড তথা প্ৰধানমন্ত্ৰী মোদীৰ তৃতীয়বাৰৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত চতুৰ্থটো খণ্ড।

আকাশবাণী আৰু দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটি প্ৰচাৰ হোৱাৰ ঠিক পাছতেই আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

অসমৰ ৭০ শতাংশৰো অধিক লোকৰ খাদ্য সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰে, খাদ্য সুৰক্ষা কাৰ্যসূচী ত্বৰান্বিত কৰাৰ অভিযান অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা পোষ্টত এই বিষয়ে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, ৰাজ্য চৰকাৰে মুঠ জনসংখ্যাৰ ৭০ শতাংশতকৈ অধিক লোকৰ পুষ্টিৰ দিশত গুৰুত্ব আৰোপ কৰি এই অভিযান অব্যাহত ৰাখিছে। চলিত বৰ্ষৰ জানুৱাৰীত ৪২ লাখতকৈ অধিক হিতাধিকাৰী অন্তৰ্ভুক্তিৰে অসমত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনত নিৰ্ধাৰিত হিতাধিকাৰীৰ সংখ্যা ২ কোটি ৯১ লাখ ৮৯ হাজাৰৰো অধিক বুলি তেওঁ জানিবলৈ দিয়ে। এই হিতাধিকাৰীসকলৰ ৯৮ শতাংশই প্ৰতিমাহে চৰকাৰে যোগান ধৰা বিনামুলীয়া খাদ্য সামগ্ৰী সংগ্ৰহ কৰি আহিছে। বৈ যোৱা বাকী লোকসকলক ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ আওতালৈ অনাৰ বাবে ১২৬ টা সমষ্টিত নতুন হিতাধিকাৰীক তালিকাভুক্ত কৰাৰ অভিযান আৰম্ভ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। নতুনকৈ তালিকাভুক্ত সকলো হিতাধিকাৰীক অগ্ৰাধিকাৰযুক্ত পৰিয়ালশ্ৰেণীত সংযোজন কৰা হ'ব। অহা নৱেম্বৰ মাহত সমগ্ৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ বাবে ৰাজ্য চৰকাৰে পৰিকল্পনা কৰিছে বুলিও তেওঁ উল্লেখ কৰে।

ooooo

তেলেংগানাৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী উদয়নিধি ষ্টেলিনে আজি ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব। ৰাজভৱনত হ'বলগীয়া এটা অনুষ্ঠানত ৰাজ্যপাল আৰ এন ৰবিয়ে শ্ৰী উদয়নিধিক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱাব। আনহাতে ছেন্‌থিল বালাজীয়ে দ্বিতীয় বাৰৰ বাবে মন্ত্ৰী হিচাপে শপত ল'ব। ড০ গোভী ছেহজিয়ান, আৰ ৰাজেন্দ্ৰন আৰু এছ এম নাছাৰক মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰা হ'ব।

চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ দায়িত্ব উপমুখ্যমন্ত্ৰীক দিয়া হৈছে। উল্লেখযোগ্য যে এইবাৰ দ্বিতীয় বাৰৰ বাবে ৰাজ্যখনত উপ-মুখ্যমন্ত্ৰীয়ে শপত ল'ব। ইয়াৰ পূৰ্বে বৰ্তমানৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে তেওঁৰ পিতৃ মুখ্যমন্ত্ৰী হৈ থকাৰ সময়ত ২০০৯ চনত ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী হিচাপে শপত লৈছিল।

ooooo

জম্মু-কাশ্মীৰৰ তৃতীয় তথা অন্তিম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযানৰ আজি সামৰণি পৰিব। এই পৰ্যায়ত অহা মঙলবাৰে ৪০ টা বিধানসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। এই ৪০ খন আসনৰ ভিতৰত ১৬

খন কাশ্মীৰ মণ্ডুলৰ আৰু ২৪ খন আসন জম্মু অঞ্চলৰ। জম্মু-কাশ্মীৰত তিনিটা পৰ্যায়ত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হৈছে। ইয়াৰে প্ৰথম পৰ্যায়ত ৬১ শতাংশৰো অধিক আৰু দ্বিতীয় পৰ্যায়ত ৫৬ শতাংশৰো অধিক ভোটদান হৈছিল।

ooooo

জম্মু-কাশ্মীৰৰ নিৰ্বাচন বিভাগে চলিত বিধানসভা নিৰ্বাচনৰ সময়ছোৱাত **গ্ৰীণ এছ ভি ই ই পি** - অৰ্থাৎ ভোটদাতাসকলৰ ব্যৱস্থাগত শিক্ষা আৰু নিৰ্বাচনত অংশগ্ৰহণ উদ্যমৰ অধীনত ৯০ টা বিধানসভা সমষ্টিত এক লাখ গছপুলি ৰোপণৰ লক্ষ্যত উপনীত হৈছে। এই পৰ্যন্ত এক লাখ ৩২৩টা গছপুলি ৰোপণ কৰা হৈছে। ইয়াৰ ভিতৰত যোৱা ২৪ ঘণ্টাত পাঁচ হাজাৰ ৮৫৪টা গছপুলি ৰোপণ কৰা হয়। উধমপুৰ আৰু পুঞ্জ জিলাৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহত ৯৯ শতাংশ গছপুলি ৰোপণ কৰাৰ বিপৰীতে ডোদা আৰু ৰিয়াছি জিলাত ৯৭ শতাংশ গছপুলি ৰোপণৰ লক্ষ্যত উপনীত হয়। মুখ্য নিৰ্বাচনী বিষয়া পি কে প'লে প্ৰকাশ কৰা মতে ২০ খন জিলাৰ ভিতৰত ১০ খন জিলাই নিৰ্ধাৰিত লক্ষ্যৰ ৯০ শতাংশৰো অধিক কাম সফলতাৰে সম্পূৰ্ণ কৰিছে। শ্ৰী প'লে পৰিৱেশ তন্ত্ৰৰ সুৰক্ষা আৰু ভৱিষ্যৎ প্ৰজন্মৰ বাবে পৰিৱেশ সংৰক্ষণৰ উদ্দেশ্যে অধিক গছপুলি ৰোপণৰ প্ৰয়োজন সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। **গ্ৰীণ এছ ভি ই ই পি** এপ সন্দৰ্ভত মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে কয় যে, ই হৈছে এটা ভৌগোলিক তথ্য ব্যৱস্থা যাৰ সহায়ত প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ সময়ছোৱাত গছপুলি ৰোপণৰ ফটো আৰু ভিডিঅ' স্বয়ংক্ৰিয়ভাৱে আপলোড কৰিব পৰা যাব।

ooooo

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কৈছে যে কেন্দ্ৰৰ দ্বৈত ইঞ্জিনৰ চৰকাৰ আৰু উত্তৰ প্ৰদেশে ২০৪৭ চনৰ ভিতৰত দেশৰ অৰ্থনীতি ৩৫ ত্ৰিলিয়ন আমেৰিকান ডলাৰলৈ উন্নীত কৰিব। গ্ৰেটাৰ নয়ডাত অনুষ্ঠিত উত্তৰ প্ৰদেশ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় প্ৰদৰ্শনীত এই কথা প্ৰকাশ কৰি কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰ প্ৰদেশৰ অৰ্থনীতি এক ত্ৰিলিয়ন আমেৰিকান ডলাৰলৈ উন্নীত কৰাৰ পথ প্ৰশস্ত কৰিব।

শ্ৰী গোৱেলে কয় যে, চৰকাৰে ৰাজ্যসমূহৰ সহায়ত সিদ্ধান্ত গ্ৰহণ কৰিব পৰা নেতৃত্ব, চাহিদা, ভৌগোলিক বিশিষ্টতা আৰু গণতন্ত্ৰক ভেটি হিচাপে লৈ আইন সহজ কৰি তোলাৰ লগতে ব্যৱসায়িক সুচলাক উদগনি যোগোৱাত অগ্ৰাধিকাৰ দিছে। তেওঁ মেক ইন ইণ্ডিয়াৰ সফলতাৰ কথা উল্লেখ কৰি কয় যে ইয়ে বিশ্ব দৰবাৰত ভাৰতক নিয়োগ আৰু উদ্যোগ সৃষ্টিৰ ক্ষেত্ৰত শক্তিশালী দেশ হিচাপে আগবাঢ়ি অহাত সহায় কৰিব।

ooooo

ভাৰত আৰু বাংলাদেশৰ মাজত কানপুৰৰ গ্ৰীন পাৰ্কত চলি থকা দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত কালি বাংলাদেশে প্ৰথম ইনিংছত তিনি উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১০৭ ৰানৰ পৰা আজি তৃতীয় দিনৰ খেল আৰম্ভ কৰিব।

কালি দ্বিতীয় দিনা  খেল বৰষুণৰ বাবে এটাও বল নেখেলাকৈ পৰিত্যক্ত ঘোষণা কৰা হয়। উল্লেখযোগ্য যে, বাংলাদেশে প্ৰথমে বেটিঙৰ বাবে আমন্ত্ৰণ লাভ কৰি প্ৰথম দিনাৰ খেলৰ অন্তত তিনি উইকেটৰ বিনিময়ত ১০৭ ৰান কৰিছিল। বাংলাদেশৰ হৈ মমিউল হকে ৪০ ৰাণ আৰু মুছফিকুৰ ৰহিমে ৬ ৰাণ কৰি খেলি আছিল। ঘৰুৱা দল ভাৰতৰ হৈ আকাশ দীপে দুটা আৰু ৰবিচন্দ্ৰন অশ্বিনে এটা উইকেট দখল কৰে। ভাৰতে ইতিমধ্যে চেন্নাইত অনুষ্ঠিত প্ৰথমখন টেষ্টত ২৮০ ৰানত জয়লাভ কৰি শৃংখলাটোত অগ্ৰগতি লাভ কৰিছে।

০০০০০

জাপানত অনুষ্ঠিত World Athletics Continental Tourত পুৰুষৰ পাঁচ হাজাৰ মিটাৰ দৌৰত ভাৰতৰ ২৬ বছৰীয়া এথলীট গুলবীৰ সিঙে সোণৰ পদক অৰ্জন কৰিছে। খেলুৱৈগৰাকীয়ে ১৩ মিনিট আৰু ১১ দশমিক ৮-২ ছেকেণ্ডৰ নতুন ৰাষ্ট্ৰীয় অভিলেখ গঢ়িবলৈ সক্ষম হয়। গুলবীৰ সিঙে ১৩ মিনিট আৰু ১৮ দশমিক ৯-২ ছেকেণ্ডৰ নিজৰেই পূৰ্বৰ অভিলেখ ভংগ কৰে। ইয়াৰ পূৰ্বে ভাৰতৰে অবিনাশ ছেবলে এই শিতানত অভিলেখ গঢ়িছিল।

চলিত বৰ্ষৰ মাৰ্চত গুলবীৰে কেলিফ'ৰ্নিয়াত অনুষ্ঠিত টেন ট্ৰেক মিটত পুৰুষৰ ১০ হেজাৰ মিটাৰৰ অভিলেখ ভংগ কৰিছিল।

০০০০০

**সমাপ্ত**